**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 18-09-2026 **Time :** 1205 Hrs.

# Assamese Midday Bulletin
## Headlines

000000

১। অসমে উচ্চ গতিসম্পন্ন আঞ্চলিক ৰে’ল নেটৱৰ্ক বিকশাই তোলাৰ সম্ভাৱনাৰ অন্বেষণ কৰি আছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। জন্মগতভাৱে হৃদৰোগত আক্ৰান্ত ৭৬ টি শিশুক ৰাজ্য চৰকাৰৰ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ।

৩। বান ক্ষতিগ্ৰস্ত চৰাইদেউ আৰু শিৱসাগৰ জিলাত লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ।

আৰু

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা পালন।

0000000

অসমে দিল্লী-মিৰাট আঞ্চলিক দ্ৰুত ৰে’ল প্ৰণালীৰ লেখীয়া উচ্চ গতিসম্পন্ন আঞ্চলিক ৰে’ল নেটৱৰ্ক বিকশাই তোলাৰ সম্ভাৱনাৰ অন্বেষণ কৰি আছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ডঃ শৰ্মাই আজি সামাজিক মাধ্যমযোগে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যৰ গুৰুত্বপূৰ্ণ বিকাশ ক্ষেত্ৰসমূহৰ মাজত সংযোগ সাধন কৰি সম্ভাব্য আঞ্চলিক দ্ৰুত পৰিবহণ ব্যৱস্থা গঢ়ি তোলাৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে এছিয় বিকাশ বেংক – এ ডি বিৰ সৈতে প্ৰাৰম্ভিক আলোচনা চলি আছে। ইপিনে, নতুন দিল্লীত আয়োজিত গোলকীয় ব্যৱসায় সন্মিলনত অংশগ্ৰহণ কৰি ডঃ শৰ্মাই আজি উদ্যমীসকলক ৰাজ্যত বিনিয়োগ কৰিবলৈ আৰু নতুন সুযোগৰ সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ৰাজ্যক দেশৰ নতুন ঔদ্যোগিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ৰূপৰেখা বিষয়ে আলোকপাত কৰে।

0000000

ৰাজ্য চৰকাৰে জন্মগতভাৱে হৃদৰোগত আক্ৰান্ত ৭৬ টি শিশুক চৰকাৰী ব্যয়ত বিশেষ চিকিৎসাৰ বাবে প্ৰেৰণ কৰিছে। শিশুকেইটিক উন্নত চিকিৎসাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ ৰাজ্যিক জন্মগত হৃদৰোগ চিকিৎসা আঁচনি অধীনত বাংগালুৰু আৰু নাৰায়ণা আৰু মুম্বাইৰ হেল্‌থ চিটী হাস্পতালত ভৰ্তি কৰোৱাৰ সিদ্ধান্ত লোৱা হৈছে। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে কালি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰি কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৬ সংখ্যক জন্মদিন উপলক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ বাবুল কুমাৰ বেজবৰুৱাই কালি চিকিৎসা মহাবিদ্যালয়ত অভিৰ্বতন কেন্দ্ৰৰ পৰা শিশুকেইটিক ৰাওনা কৰে। অসম চৰকাৰে শিশুকেইটিৰ চিকিৎসা, অস্ত্ৰোপচাৰ, যাত্ৰা আৰু থকা-খোৱাৰ ব্যয় বহন কৰিব। ২০১০ চনত এই কাৰ্যসূচী আৰম্ভ কৰাৰে পৰা বৰ্তমানলৈকে জন্মগতভাৱে হৃদৰোগত আক্ৰান্ত ১৪ হাজাৰ ৩৮৮ টি শিশুৰ উন্নত চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰে ৫১ টি শিশুৰ চিকিৎসা বৰ্তমানো গুৱাহাটী, বাংগালুৰু আৰু কলকাতাৰ বিভিন্ন চিকিৎসালয়ত চলি আছে।

0000000

বান ক্ষতিগ্ৰস্ত চৰাইদেউ আৰু শিৱসাগৰ জিলাত লোকপিয়লৰ গৃহৰ তালিকা প্ৰস্তুতৰ সময়সীমা প্ৰায় এমাহ বৃদ্ধি কৰা হৈছে। মহাপঞ্জীয়ক তথা লোকপিয়ল আয়ুক্ত মৃত্যুঞ্জয় কুমাৰ নাৰায়নে কালি ৰাজপত্ৰিত অধিসূচনাযোগে এই কথা সদৰি কৰি কয় যে জিলা দুখনত বাসগৃহৰ তালিকা প্ৰস্তুত আৰু গৃহ পিয়লৰ সময়সীমা ৩১ অক্টোবৰলৈ বৃদ্ধি কৰা হৈছে। অসমত বাসগৃহৰ তালিকা প্ৰস্তুতৰ কামৰ বাবে ১৫ ছেপ্তেম্বৰ অন্তিম সীমা ধাৰ্য কৰা হৈছিল যদিও বানৰ পৰিপ্ৰেক্ষিতত শিৱসাগৰ আৰু চৰাইদেউ জিলাত লোকপিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰু অন্য প্ৰস্তুতিমূলক কাম-কাজ স্থগিত ৰখা হৈছিল। জিলা দুখনত আজি লোকপিয়লৰ

প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ হৈছে। মাহজোৰা কাৰ্যসূচীৰে এই প্ৰক্ৰিয়া চলিব। প্ৰথম পৰ্যায়ত গণনাকাৰী সকলে ঘৰে ঘৰে গৈ গৃহ তালিকা প্ৰস্তুত আৰু গৃহ গণনা প্ৰক্ৰিয়া সম্পন্ন কৰিব। উল্লেখযোগ্য যে ৰাজ্যৰ বাকী জিলাসমূহত গৃহ তালিকা প্ৰস্তুতৰ ইতিমধ্যে সম্পূৰ্ণ হৈছে।

০০০০০০০০০

আজি বিশ্ব বাঁহ দিৱস। পৰিৱেশ সংৰক্ষণ, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত বাঁহৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ বাবে প্ৰতিবছৰে ১৮ ছেপ্তেম্বৰৰ দিনটো বাঁহ দিৱস হিচাপে পালন কৰা হয়। ২০০৯ চনত বিশ্ব বাঁহ সংস্থাৰ অধ্যক্ষ কামেশ ছালামে এই দিৱস উদযাপনৰ সিদ্ধান্ত লৈছিল। এই দিৱস উদযাপনৰ দ্বাৰা গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন, জলবায়ু পৰিৱৰ্তন ৰোধ কৰা আৰু বহনক্ষম উন্নয়নৰ বাবে নৱীকৰণযোগ্য সম্পদ হিচাপে বাঁহৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে। উল্লেখযোগ্য যে ভাৰতত থকা ১৩১ বিধ বাঁহৰ প্ৰজাতিৰ ভিতৰত ৫১ বিধেই অসমত হয়। ৰাজ্যখনৰ ৩১ হাজাৰ হেক্টৰ ভূমিত বাঁহ খেতি কৰা হয়। শেহতীয়াকৈ নুমলীগড় শোধনাগাৰৰ চৌহদত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক ইথানল প্ৰকল্প দেশৰ প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰাৰ পাছতে বাণিজ্যিক ক্ষেত্ৰতো বাঁহৰ গুৰুত্ব বৃদ্ধি পাইছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাযোগে অসমৰ বাঁহ উদ্যোগৰ অপাৰ সম্ভাৱনাক স্বীকৃতি দিবলৈ আহ্বান জনাইছে। তেওঁ কয়, যে পৰম্পৰাগত ঘৰ-দুৱাৰ আৰু বাদ্যযন্ত্ৰৰ পৰা আৰম্ভ কৰি মনোমোহা হস্তশিল্পলৈকে বাঁহ অসমৰ লোক জীৱন, সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। বাঁহে কাৰিকৰসকলৰ জীৱিকা সুদৃঢ় কৰাৰ লগতে স্থানীয় উদ্যোগক উৎসাহিত কৰি অধিক সেউজ আৰু বহনক্ষম অৰ্থনীতি গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পালন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা হৈছে। পুৱাৰেপৰা গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পূজা মণ্ডপ সমূহত বিশ্বখনিকৰক আৰাধনাৰ বাবে জনসাধাৰণৰ ভিৰ পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাবেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদিৰ আয়োজন কৰা হৈছে।

আকাশবাণী গুৱাহাটীৰ চৌহদত আজি পৰম্পৰাগত ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা পালন কৰা হৈছে। ধুবুৰী জিলাত উলহ-মালহেৰে বিশ্বকৰ্মা পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ বিলাসীপাৰা, গোলকগঞ্জ আৰু গৌৰীপুৰৰ কল-কাৰখানা, ব্যক্তিগত প্ৰতিষ্ঠান আদিত বৈদিক নিয়মেৰে এই পূজা পালন কৰা হৈছে। এই উপলক্ষে সমগ্ৰ জিলাখনতে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে।

নলবাৰী জিলাৰ বাছ আস্থান, গেৰেজ, কল-কাৰখানা আৰু বিভিন্ন প্ৰতিষ্ঠানতো আড়ম্বৰপূৰ্ণভাৱে বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন উদ্যোগ, ছপাশাল, ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয়, বাছ আস্থান, গেৰেজ আদিত আজি পুৱাৰে পৰা বিশ্বকৰ্মা পূজা উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে।

০০০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনকল্পে ৰাজ্যজুৰি তিনিদিনীয়া কাৰ্যসূচীৰে জুবিন দিৱস পালন কৰা হৈছে। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত অনুষ্ঠিত এই দিৱসৰ আজি দ্বিতীয় দিনা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনা প্ৰদৰ্শন কৰা হ'ব।

সদৌ অসম ছাত্র সন্থাই প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই কাইলৈ ৰাজ্যজুৰি **পোহৰেৰে চাকি গছি** শীৰ্ষক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। গুৱাহাটীৰ লতাশিল খেলপথাৰত সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত সেইদিনা সন্ধিয়া ৬ বজাত কেন্দ্ৰীয়ভাৱে এই কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই বিষয়ে প্ৰকাশ কৰি কয়, যে সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিখন জিলা সদৰত ছাত্ৰ-ছাত্ৰী, স্থানীয় শিল্পী, তথা ৰাইজে সমবেত কণ্ঠত মায়াবিনী গীতটি পৰিৱেশন কৰিবলৈ আহ্বান জনাইছে।

ইপিনে, শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যিক বিজেপিয়ে ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। ৰাজ্যৰ ৩৯ খন বিজেপি সাংগঠনিক জিলাত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে ইতিমধ্যে ৰাজ্যিক যুৱ মৰ্চাই প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে কাইলৈ প্ৰাণৰ শিল্পীক সুঁৱৰি ৰাজ্যজুৰি জুবিন গাৰ্গ স্মৃতি সন্ধ্যা পালনৰ সিদ্ধান্ত লৈছে। এই সন্দৰ্ভত দলৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশমৰ্মে সাধাৰণ সম্পাদকে জাৰি কৰা জাননী অনুসৰি স্মৃতি সন্ধ্যাৰ অংশ হিচাপে বন্তি প্ৰজ্বলন, শান্তিপূৰ্ণ শোভাযাত্ৰাকে ধৰি অন্যান্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

oooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত **জুবিন মনন** শীৰ্ষক জুবিন গাৰ্গ বিষয়ক এটি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিগন্ত ভাৰতী, জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ আৰু আকাশবাণীৰ ঘোষক তথা জনপ্ৰিয় কণ্ঠশিল্পী মনদীপ মহন্তই অংশ ল'ব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

ooooooo

ৰে'ল আৰক্ষীয়ে আৰোনাই এক্সপ্ৰেছ ৰে'লগাড়ীত অভিযান চলাই বদৰপুৰ ৰে'ল ষ্টেচনৰ পৰা ১৮ কিলোগ্ৰামৰো অধিক ভাং জব্দ কৰিছে। আৰক্ষীয়ে এই সংক্ৰান্তত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা লোক দুজনক সুৰয প্ৰসাদ আৰু প্ৰকাশ সাহা বুলি চিনাক্ত কৰা হৈছে।

ooooooo

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু আজি শিক্ষা সমাৰোহত ভাগ লোৱাৰ উদ্দেশ্যে নাগালেণ্ডৰ চুমৌকেডিমাত উপস্থিত হয়। এই সমাৰোহৰ বিষয়বস্তু হৈছে উত্তৰ পূবৰ ৰাজ্যসমূহত দৃষ্টিভংগী আৰু প্ৰত্যাহ্বানসমূহ সলনি কৰি নতুন সুযোগৰ সৃষ্টিৰ উদ্দেশ্যে নতুন শিক্ষা নীতি ২০২০ ৰূপায়ণ কৰা।

oooooooo

ওদালগুৰি জিলাৰ টংলা মিলনপুৰ নিবাসী অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক, সমাজসেৱক তথা যুৱ সাংবাদিক মৃন্ময় চহৰীয়াৰ পিতৃ মহেশ্বৰ চহৰীয়াৰ কালি নিশা চিকিৎসাধীন অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। যকৃতজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা চহৰীয়াৰ মৃত্যুৰ সময়ত বয়স আছিল ৭১ বছৰ।

oooooo

**সমাপ্ত**